# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ২২/ ২০২০

## বড়ো সাহিত্য সভাৰ ৫৯ সংখ্যক বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ৰাজ্যখনৰ খিলঞ্জীয়া জনসাধাৰণৰ অধিকাৰ সুৰক্ষিতকৰণৰ দিশত ৰাজ্য চৰকাৰ দায়বদ্ধ ঃ মুখ্যমন্ত্ৰী

## অতি সোনকালে বড়ো জনগোষ্ঠীয়ে ভাল খবৰ পাব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২২ জানুৱাৰী ঃ** ‘বৃহত্তৰ অসমীয়া জাতিৰ উন্নতিৰ ক্ষেত্ৰত বড়ো জনগোষ্ঠীয়ে বলিষ্ঠ ভূমিকা পালন কৰিব লাগিব। বড়ো জনগোষ্ঠীয়ে যথেষ্ট পৰিশ্ৰম আৰু অধ্যাৱসায়ৰ জৰিয়তে নিজৰ ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতি বিকশাই তুলিবলৈ সক্ষম হৈছে আৰু এই ক্ষেত্ৰত বড়ো সাহিত্য সভাৰ অৱদান অপৰিসীম। হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত বিটিএডি অঞ্চল সমূহ অতি ক্ষীপ্ৰতাৰে বিকাশৰ দিশে ধাৱমান হৈছে আৰু এসময়ৰ অশান্ত জৰ্জৰ অঞ্চল সমূহে বিকাশৰ এক নতুন ধাৰাৰ সৃষ্টি কৰিছে। অতি সোনকালে বড়ো সকলে ভাল খবৰ পাব আৰু বড়ো সকলৰ দীৰ্ঘদিনীয়া দাবী পূৰণ হ’ব।’ আজি ওদালগুৰি জিলাৰ খৈৰাবাৰীৰ দাওহাৰু পথাৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৫৯ সংখ্যক বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে অসমৰ সকলো জাতি-জনগোষ্ঠীৰ ভাষা, কৃষ্টি-সংস্কৃতিৰ বিকাশৰ দিশত ৰাজ্য চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ‘ভাষা গৌৰৱ আঁচনি’ৰ অধীনত ইতিমধ্যে অসম সাহিত্য সভাৰ কৰ্পাচ ফাণ্ডলৈ ১০ কোটি টকা, বড়ো সাহিত্য সভালৈ ৫ কোটি টকা আৰু অন্যান্য জনগোষ্ঠীয় সাহিত্য সভালৈ ৩ কোটি টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই ‘ভাষা গৌৰৱ আঁচনি’ৰ অধীনত সৰ্বমুঠ ২২ টা জনগোষ্ঠীয় সাহিত্য সভাই এই এককালীন অনুদান লাভ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয় যাতে এই জনগোষ্ঠী সমূহৰ ভাষা, সাহিত্যৰ উপযুক্ত সংৰক্ষণৰে উত্তৰণৰ পথ প্ৰশস্ত কৰিব পাৰে।

অসমৰ থলুৱা ভাষা-সংস্কৃতি বিকাশৰ ক্ষেত্ৰত সাহিত্য সভা সমূহক আগবঢ়োৱা এই বিত্তীয় অনুদানে এক বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে মত পোষণ কৰে। অসমৰ জাতি-জনগোষ্ঠী সমূহৰ মাজত ঐক্য আৰু সম্প্ৰীতিৰ বান্ধোন সুদৃঢ় কৰি ৰখাৰ ক্ষেত্ৰত সাহিত্য সভা সমূহে বিশেষ ভূমিকা পালন কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই সন্দৰ্ভত সাহিত্য সভা সমূহক সময়ে সময়ে নিজৰ মাজত আলোচনা অনুষ্ঠিত কৰাৰ পদক্ষেপ ল’বলৈও তেওঁ আহ্বান জনায়। ৰাজ্যখনৰ ১০০০ গৰাকী লেখক-লেখিকালৈ ৫০ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদানৰ কৰাৰ বাবে ৰাজ্য চৰকাৰে লোৱা সিদ্ধান্তৰ কথা সদৰি কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যুৱ প্ৰজন্মৰ লেখকসকলে ৰাজ্যখনৰ থলুৱা ভাষা সমূহৰ সাহিত্য চৰ্চা কৰি নৱেলৰ দৰে সন্মানীয় আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰাৰ বাবে প্ৰচেষ্টা চলোৱাৰ বাবেও তেওঁ আহ্বান জনায়। বিজ্ঞান আৰু প্ৰযুক্তি প্ৰয়োগৰ দ্বাৰা ভাষা-সাহিত্যৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত বড়ো সাহিত্য সভাই গ্ৰহণ কৰা পদক্ষেপৰ বাবে ধন্যবাদ জনায়।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ‘সৱকা সাথ, সৱকা বিকাশ, সৱকা বিশ্বাস’ নীতি সাৱোগত কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ৰাজ্যখনৰ সকলোবোৰ জাতি-জনগোষ্ঠীৰ সম-বিকাশ আৰু সম-উন্নয়নৰ বাবে পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ ৰাজ্যখনৰ খিলঞ্জীয়া জনসাধাৰণৰ প্ৰতি থকা দায়বদ্ধতা সন্দেহাতীত বুলি উল্লেখ কৰি বৰ্তমানৰ চৰকাৰখনে ৰাজ্যখনত খিলঞ্জীয়াৰ আধিপত্য দুৰ্বল কৰা কোনো কাম নকৰে বুলিও তেওঁ কয়।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে বড়ো সাহিত্য সভাৰ ‘ই-থুনলাই’ নামৰ মোবাইল এপ আৰু ই-বুক তথা ই-লাইব্ৰেৰী প্ৰকল্পৰো আনুষ্ঠানিকভাবে শুভাৰম্ভ কৰে।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে বড়ো সাহিত্য সভালৈ অসম চৰকাৰে ৫ কোটি টকাৰ এককালীন অনুদান আগবঢ়োৱাৰ বাবে লোৱা সিদ্ধান্তক আদৰণি জনোৱাৰ লগতে এই পদক্ষেপে বড়ো সাহিত্য সভাৰ কাম-কাজ ত্বৰান্বিত কৰাৰ দিশত বিশেষ সহায় কৰিব বুলি কয়। তেওঁ লগতে কয় যে নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয় আৰু দিল্লী বিশ্ববিদ্যালয়ত বড়ো ভাষাৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ বাবে যোগাযোগ চলাই থকা হৈছে।

আজিৰ এই অনুষ্ঠানত পৰ্যটন মন্ত্ৰী চন্দন ব্ৰহ্ম, সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰিহন দৈমাৰী, মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, ৰাজ্য সভাৰ সাংসদ বিশ্বজিৎ দৈমাৰী, অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ তথা হাউছফেডৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস, বড়ো সাহিত্য সভাৰ সভাপতি টৰেণ বড়ো, প্ৰখ্যাত ভাষাবিদ তথা আমেৰিকাৰ অ’ৰেগন বিশ্ববিদ্যালয়ৰ অধ্যাপক স্কট ডিলেনচি, সাহিত্য একাডেমী বঁটা প্ৰাপক অঞ্জু নাৰ্জাৰীৰ লগতে বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**স্বাঃডেঃ / বঃভাঃ**
**২২/০১/২০২০**